**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 1-09-2026 **Time :** 0755 Hrs.

উজনি অসমৰ বান ক্ষতিগ্ৰস্ত তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানক্ষতিগ্ৰস্ত পৰিয়াল সমূহলৈ ১৫ হাজাৰ টকাকৈ আজি প্ৰদান কৰা হ'ব।

এই পৰ্য্যায়ত ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক সামৰি লোৱা হ'ব। আজি দিনৰ ১১ বজাত দিচপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত এই উদ্দেশ্য আয়োজিত অনুষ্ঠানত মখুমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু ৰাজহ তথা দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তও উপস্থিত থাকিব।

ইপিনে, চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো আজি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বৈদেশিক ভাষা প্ৰশিক্ষণ পদক্ষেপৰ অংশ হিচাপে জাপানী ভাষাৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত নামভৰ্তি কৰা ১৪৮ গৰাকী আৰু ২০২৬-২৭ বৰ্ষত নতুনকৈ নামভৰ্তি কৰা ৫২ গৰাকী শিক্ষাৰ্থীক আৰ্থিক সাহায্য প্ৰদান কৰা হব। প্ৰতিগৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ গ্ৰহণৰ বাবে তিনিটা কিস্তিত মুঠ ১ লাখ টকাকৈ দিয়া হ'ব। প্ৰাৰ্থীসকলে নিযুক্ত লাভ কৰাৰৰ পাছত ৫০ হাজাৰ টকাৰ অনুমোদন দিয়া হ'ব। এই আঁচনিৰ বাবে চৰকাৰে ২ দশমিক ৮ কোটি টকাৰ অনুমোদন জনাইছে।

মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনতো আজি চৰকাৰী আৰু ৰাজহুৱা শিক্ষানুষ্ঠানৰ সদ্য স্নাতক সকলৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হ'ব। ৪৮ হাজাৰ ১৮৮ গৰাকী অৰ্হতা সম্পন্ন প্ৰাৰ্থীক ১২ মাহৰ বাবে আঢ়ৈ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১১৮ দশমিক ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে।

০০০০০

শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখৈল গগৈয়ে কালি সন্ধিয়া জনতা ভৱনত মুখ্যমন্ত্ৰী ড়০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। উজনি অসমৰ ৩ খন জিলাত প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১৫ হাজাৰ টকাৰ সাহায্য নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে বুলি অখিল গগৈয়ে জানিবলৈ দিছে। সাক্ষাৎৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিৱসাগৰৰ বিধায়কগৰাকীয়ে কয়, যে মঙলবাৰৰ ভিতৰত বঞ্চিত হৈ থকা ১৬ হাজাৰ বান ক্ষতিগ্ৰস্ত পৰিয়ালে ১৫ হাজাৰ টকাকৈ সাহায্য লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চিতি দিছে। অৱশ্যে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসকলক ১০ লাখ টকাকৈ সাহায্য প্ৰদানৰ দাবী এতিয়াও মুখ্যমন্ত্ৰীয়ে মানি লোৱা নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে বানত জিলাখনৰ ১৬০ কিলোমিটাৰ পথ সম্পূৰ্ণৰূপে বিধবস্ত হৈছে। এই পথ মেৰামতি কৰিবলৈও মুখ্যমন্ত্ৰীক আহ্বান জনোৱা হৈছে। বানত ক্ষতিগ্ৰস্ত মহাবিদ্যালয়সমূহক চৰকাৰে ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লৈছে বুলিও অখিল গগৈয়ে সাংবাদিকৰ আগত অৱগত কৰে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰত চত্ৰং, ব্ৰহ্মাজান আৰু সোলেঙী আদি পাহাৰীয়া নৈসমূহৰ বাঢ়নি পানীয়ে গহপুৰত ভয়াবহ বানৰ সৃষ্টি কৰিছে। চত্ৰং নৈয়ে গহপুৰৰ সাত নম্বৰ ৱাৰ্ডৰ গাৰ্ড ৱাল আৰু গোপালবস্তিত মঠাউৰি ভাঙি পেলায়। ন-বিল অঞ্চলত পথৰ ওপৰেৰে পানী বাগৰাৰ ফলত ৰাইজৰ যাতায়াতত যথেষ্ট অসুবিধাই দেখা দিছে। তদুপৰি গহপুৰৰ কনকলতা অসামৰিক চিকিৎসালয় চৌহদতো পানী সুমুৱাৰ বাবে ৰোগীসকলৰ অহা-যোৱাত যথেষ্ট অসুবিধা হৈছে। গহপুৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদি পানী বাগৰাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে। সোলেঙী নদীৰ পানী বঢ়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰে কালি সন্ধিয়াৰে পৰা পানী বাগৰিছে।

ooooo

অসমীয়া সমাজ সংস্কৃতিৰ অন্যতম বৰভেটি গঢ়োতা, মহাপুৰুষ শ্ৰীমন্ত শংকৰেদৱৰ অন্যতম প্ৰিয় শিষ্য, নামঘোষা, ভক্তিৰত্নাৱলী, ভালেসংখ্যক বৰগীত আদিৰে চহকী কৰা মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ আজি ৪৩০ সংখ্যক তিৰোভাৱ তিথি। এই উদ্দেশ্যে ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহ সজাই পৰাই তোলা হৈছে। মহাপুৰুষ জনাৰ তিৰোভাৱ তিথি উপলক্ষে উজনি মাজুলীৰ শ্ৰী শ্ৰী টকৌবাৰী সত্ৰ আৰু শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰত গুৰুজনাৰ তিৰোভাৱ তিথিৰ বৰ্ণাঢ্য আয়োজন কৰা হৈছে। এই সন্দৰ্ভত আমাৰ মাজুলী সংবাদদাতাই এইদৰে জনাইছে -

বাইট

ooooooo

ক্ষেত্ৰীৰ ৰাষ্ট্ৰীয় ঘাইপথত পৰহি সংঘটিত পথ দুৰ্ঘটনাত জড়িত দোষীক আইনৰ আওতালৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ইতিমধ্যে অসম আৰক্ষীয়ে ঘটনা সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে।

ooooooo

**সমাপ্ত**